# মাোগল ৰাজত্বকালত ভাৰতবৰ্ষ

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। উত্তৰ দিয়া –**

( ক ) কোন চনত ভাৰতত মাোগল সাম্ৰাজ্য প্ৰতিষ্ঠা হৈছিল ?

**উত্তৰঃ** ১৫২৬ খ্ৰীষ্টাব্দত ।

( খ ) কোনখন যুদ্ধত আকবৰে মেৱাৰৰ ৰাণা প্ৰতাপ সিংহক পৰাস্ত কৰি চিতাোৰ দুৰ্গ অধিকাৰ কৰিছিল ?

**উত্তৰঃ** হলদি ঘাটৰ যুদ্ধত ।

( গ ) ' মনচব ' **শব্দ**ৰ অৰ্থ কি ?

**উত্তৰঃ** পদমৰ্যাদা ।

( ঘ ) ' আকবৰ নামা ' কোনে লিখিছিল ?

**উত্তৰঃ** আবুল ফজলে ।

( ঙ ) মিৰজুমলাই অসম আক্ৰমণ কৰাৰ সময়ত আহাোম ৰজা কোন আছিল ?

**উত্তৰঃ** জয়ধ্বজ সিংহ ।

**প্ৰশ্ন ২। চমু টোকা লিখা –**

**( ক ) পানিপথৰ প্ৰথম যুদ্ধ ।**

**উত্তৰঃ** ফাৰগানা ( বৰ্তমান উজবেকিস্তান ) ৰ ৰজা বাবৰ আৰু দিল্লীৰ চুলতান ইব্ৰাহিম লাোডীৰ মাজত পানিপথৰ প্ৰথম যুদ্ধ হৈছিল । ফাৰগানাৰ ৰাজপাটত উঠাৰ পাছৰ পৰাই বাবৰৰ ভাৰতবৰ্ষৰ ওপৰত চকু পৰিছিল । এটা সময়ত তেওঁ হিন্দুকুশ পৰ্বতপাৰ হৈ কাবুল

সা◌ে মাই আৰু তাৰ পৰাই ক্ৰমান্বয়ে ভাৰতৰ ভিতৰুৱা অঞ্চললৈ সা◌ে মাই পৰে। ১৫২৫ খ্ৰীঃত বাবৰে পঞ্জাৱ দখল কৰি দিল্লী অভিমুখে অগ্ৰসৰ হয় । সেই সময়ত দিল্লীৰ চুলতান আছিল ইব্ৰাহিম লা◌ে ডী । দিল্লীৰ ওচৰৰ পানিপথ নামৰ ঠাইত ইব্ৰাহিম লোডীৰ সৈন্যবাহিনীয়ে বাবৰৰ সৈন্য বাহিনীক ভেটা দিয়ে । ফলত ১৫২৬ খ্ৰীঃৰ ২১ এপ্ৰিলত দুয়া◌ে পক্ষৰ মাজত এখন যুদ্ধ হয় । যুদ্ধত বাবৰে ইব্ৰাহিম লা◌ে ডীৰ সৈন্যবাহিনীক ঘটুৱাই দিল্লী অধিকাৰ কৰে । এই যুদ্ধখনকে পানিপথৰ প্ৰথম যুদ্ধ বুলি কোৱা হয় ।

**( খ ) হুমায়ুন ।**

**উত্তৰঃ** হুমায়ুন বাবৰৰ পুত্ৰ । বাবৰৰ মৃত্যুৰ পাছত ১৫৩০ খ্ৰীঃত হুমায়ুন মা◌ে গল সিংহাসনৰ অধিকাৰী হয় । সিংহাসনত উঠাৰ পাছতে হুমায়ুনৰ তিনিজন ভায়েক ক্ৰমে — কামৰাম , হিন্দাল আৰু আস্কাৰীয়ে সিংহাসনৰ দাবীদাৰ হৈ উঠি বিদ্ৰোহ ঘা◌ে ষণা কৰাত ; হুমায়ুনে কিছু বিপদৰ সন্মুখীন হ’বলগীয়া হৈছিল । এই বিপদৰ পৰা হাত সাৰিবলৈ হুমায়ুনে ভায়েক সকলক তেওঁৰ সাম্ৰাজ্যৰ বিভিন্ন ঠাইৰ আঞ্চলিক শাসনকৰ্তা পাতি দিছিল ।

হুমায়ুনৰ বাবে আন এটা বিপদ আহিছিল আফগান মেতা শ্বেৰশ্বাহৰ পৰা।তেওঁৰ ৰাজত্বকালত আফগানসকলে শ্বেৰশ্বাহৰ নেতৃত্বত মা◌ে গলসকলৰ বিৰুদ্ধে যুদ্ধ কৰে । ১৫৩৯ খ্ৰীঃত চৌচাৰ যুদ্ধ আৰু ১৫৪০ খ্ৰীঃত হা◌ে ৱা কণৌজৰ যুদ্ধত শ্বেশ্বাহৰ হাতত পৰাস্ত হৈ হুমায়ুনে ইৰাণলৈ পলাই যায় । ১৫৫৫ খ্ৰীঃত তেওঁ সিংহাসন পুনৰ অধিকাৰ কৰিছিল যদিও কিছুদিনৰ পাছতে তেওঁৰ মৃত্যু হয় ।

**( গ ) পানিপথৰ দ্বিতীয় যুদ্ধ ।**

**উত্তৰঃ** ১৫৫৬ খ্ৰীঃত পানিপথৰ দ্বিতীয় যুদ্ধ সংঘটিত হয় । এই যুদ্ধ আফগান সেনাপতি হিমু আৰু আকবৰৰ মাজত লাগিছিল । যুদ্ধত আকবৰে হিমুৰ সৈন্যবাহিনীক সম্পূৰ্ণৰূপে পৰাস্ত কৰিছিল । যুদ্ধত বন্দী হা◌ে ৱা হিমুক আকবৰৰ শিবিৰলৈ আনি বেইৰাম খাঁৰ নিৰ্দেশত প্ৰাণদণ্ড বিহা হৈছিল । এই যুদ্ধৰ ফলত দিল্লী আৰু আগ্ৰাত মা◌ে গলৰ ক্ষমতা পুনৰ প্ৰতিষ্ঠিত হয় ।

**( ঘ ) নুৰজাহান ।**

**উত্তৰঃ** নূৰজাহান আছিল আকবৰৰ ৰাজ্যসভাৰ মীৰ্জাঘিয়াচ বেগ নামৰ এজন বিষয়াৰ জীয়ৰী । ১৬১১ খ্ৰীঃত দিল্লীৰ সম্ৰাট জাহাংগীৰে নূৰজাহানক বিয়া কৰায় । নূৰজাহান অতিশয় সুন্দৰী হা◌ে ৱাৰ লগতে ৰাজনীতিৰ ক্ষেত্ৰত যথেষ্ট অভিজ্ঞ আছিল । তেওঁ অতি সাহসী আৰু বুদ্ধিমতীও আছিল । নূৰজাহানে ৰাজ্যৰ বহুতা◌ে গুৰুত্বপূৰ্ণ কাম চোৱা –

চিতা কৰিছিল । তেওঁ দেশৰ শিক্ষা আৰু শিল্প উন্নতিৰ প্ৰতিও চকু দিছিল।ৰাজত্বৰ শেহৰফালে জাহাংগীৰক ৰজাহানে হাতৰ পুতলাৰ দৰে নচুৱাইছিল ।

**( ঙ ) ঔৰংদেৱৰ ৰাজপুত নীতি ।**

**উত্তৰঃ** সম্ৰাট আকবৰে ৰাজপুতসকলৰ প্ৰতি বন্ধুত্বপূৰ্ণ উদাৰনীতি গ্ৰহণ কৰিছিল । হিন্দু – মুছলমানৰ মাজত সম্প্ৰীতিৰ ভাব জগাই তুলিবলৈকে হয়তা ে তেওঁ এনে উদাৰনীতি গ্ৰহণ কৰিছিল । কিন্তু কাকো বিশ্বাসত না েলা েৱা , আন ধৰ্মৰ প্ৰতি সহানুভূতি নথকা ঔৰংজেৱে ৰাজপুত্ৰসকলৰ প্ৰতি আকবৰে গ্ৰহণ কৰা বন্ধুত্বপূৰ্ণ নীতিৰ পৰিৱৰ্তে তেওঁলা েকৰ প্ৰতি আক্ৰমণাত্মক নীতি গ্ৰহণ কৰিছিল । ঔৰংজেৱে মেৱাৰ আক্ৰমণ কৰিছিল যদিও ৰাজপুত সৈন্যৰ পৰাক্ৰমত তিষ্ঠিব না েৱাৰি পাছত সন্ধি কৰিবলৈ বাধ্য হৈছিল । সন্ধিৰ চৰ্ত অনুসৰি মেৱাৰৰ ৰাণাই তেওঁৰ ৰাজ্যৰ এটা অংশ মা েগলক এৰি দিয়ে । ঔৰংজেৱে হিন্দুসকলৰ ওপৰত জিজিয়া কৰ’ বহুৱাইছিল ।

**প্ৰশ্ন ৩। খালী ঠাই পূৰ কৰা –**

( ক ) ১৫২৮ খ্ৰীঃত ___ যুদ্ধত বাবৰে ৰাজপুতসকলক পৰাস্ত কৰে ।

**উত্তৰঃ** ১৫২৮ খ্ৰীঃত চান্দেৰী যুদ্ধত বাবৰে ৰাজপুতসকলক পৰাস্ত কৰে।

( খ ) হুমায়ুনৰ ৰাজত্বকালত আফগানসকলে ___ নেতৃত্বত মা েগলৰ বিৰুদ্ধে যুদ্ধ কৰে।

**উত্তৰঃ** হুমায়ুনৰ ৰাজত্বকালত আফগানসকলে শ্বেৰশ্বাহৰ নেতৃত্বত মা েগলৰ বিৰুদ্ধে যুদ্ধ কৰে ।

( গ ) পানিপথৰ দ্বিতীয় যুদ্ধ আকবৰ আৰু ____ মাজত লাগিছিল ।

**উত্তৰঃ** পানিপথৰ দ্বিতীয় যুদ্ধ আকবৰ আৰু হিমুৰ মাজত লাগিছিল ।

( ঘ ) আকবৰে অম্বৰ ৰাজ্যৰ লগত _____ নীতি গ্ৰহণ কৰিছিল ।

**উত্তৰঃ** আকবৰে অম্বৰ ৰাজ্যৰ লগত বন্ধুত্বমূলক নীতি গ্ৰহণ কৰিছিল ।

( ঙ ) আকবৰ এজন _____ ৰজা বুলি আখ্যা দিয়া হয় ।

**উত্তৰঃ** আকবৰক এজন শ্ৰেষ্ঠ ৰজা বুলি আখ্যা দিয়া হয় ।

**প্ৰশ্ন ৪। চমুকৈ উত্তৰ দিয়া –**

**( ক ) আকবৰৰ ৰাজপুত নীতি ।**

**উত্তৰঃ** আকবৰে ৰাজপুতসকলৰ প্ৰতি উদাৰ নীতি গ্ৰহণ কৰিছিল । হিন্দু – মুছলমানৰ মাজত সম্প্ৰীতিৰ ভাৱ জগাই তুলিবলৈকে হয়তো এনে উদাৰনীতি তেওঁ গ্ৰহণ কৰিছিল ।

আকবৰে অম্বৰ , বিকানীৰ , যোধপুৰ , জয়চালমেৰ আদি ৰাজপুত ৰাজ্যসমূহৰ প্ৰতি বন্ধুত্বমূলক নীতি গ্ৰহণ কৰিছিল । কোনো কোনো ঠাইত ৰাজপুতসকলৰ লগত মোগলৰ বৈবাহিক সম্বন্ধও স্থাপন হৈছিল । অৱশ্যে মেৱাৰৰ নিচিনাকৈ যিবোৰ ৰাজপুত ৰাজ্যৰ ৰজাই আকবৰৰ বশ্যতা মানি লোৱা নাছিল । তেনে ৰাজ্যৰ লগত আকবৰে যুদ্ধ কৰিছিল।

**( খ ) আকবৰৰ ধৰ্মীয় নীতি ।**

**উত্তৰঃ** ধৰ্মীয় নীতিৰ ক্ষেত্ৰত আকবৰ উদাৰ আছিল । আন ধৰ্মৰ মানুহৰ প্ৰতি তেওঁ অত্যন্ত সহানুভূতিশীল আছিল । কোনো ধৰ্মৰ প্ৰতি তেওঁৰ বিদ্বেষ নাছিল , সকলো ধৰ্মৰ মানুহকে শ্ৰদ্ধা কৰিছিল আৰু তেওঁলোকৰ ধৰ্ম মত অনুসৰি প্ৰাৰ্থনা কৰাৰ অনুমতি দিছিল । আকবৰে এটা নতুন ধৰ্ম মত প্ৰচাৰ কৰিছিল । ইয়াক ‘ দিন – ই – ইলাহি ’ বুলি জনা গৈছিল। অৱশ্যে এই ধৰ্ম মতটোৱে বেছি প্ৰসাৰতা লাভ নকৰিলে ।

**( গ ) মিৰজুমলাৰ অসম আক্ৰমণ ।**

**উত্তৰঃ** ঔৰংজেৱৰ নিৰ্দেশমৰ্মে বংগৰ শাসনকৰ্তা , মিৰজুমলাই ১৬৬১ খ্ৰীঃৰ ডিচেম্বৰ মাহত অসম আক্ৰমণ কৰিবলৈ আহে । তেওঁ প্ৰথমে কোচবিহাৰ দখল কৰে । তাৰ পাছত অসম আক্ৰমণ কৰি আহোমৰ ৰাজধানী গড়গাঁও দখল কৰে । আহোম ৰজা জয়ধ্বজ সিংহ ৰাজধানী এৰি পলাই যায় । কিন্তু এনে সময়তে মোগল সৈন্যবাহিনী বহুতো সংকটৰ সন্মুখীন হ’বলগীয়া হয় । অসমত প্ৰবল বানপানী হৈ যাতায়াত ব্যৱস্থাৰ অসুবিধা হোৱাত মোগল সৈন্যবাহিনীয়ে ৰচদপাতি , যুদ্ধৰ আহিলা আদি সমস্যাত ভোগে।বানপানীৰ পাছত মহামাৰী আৰম্ভ হয় আৰু মোগলৰ বহুতো সৈন্য মৃত্যু মুখত পৰে । মিৰজুমলাই নিজেও টান নৰিয়াত পৰে । শেষত আহোমৰ লগত মোগলৰ সন্ধি হয় । এই সন্ধি হৈছিল ১৬৬৩ খ্ৰীঃৰ ৯ জানুৱাৰীত । সন্ধিৰ চুক্তি অনুসৰি আহোম ৰজাই মোগলক বহুতো সোণ , ৰূপ , হাতী আদি দিব লগাত পৰিছিল ।

**( ঘ ) ছাহজাহানৰ ৰাজত্বকালত হাে্ৱা শিল্প – সংস্কৃতিৰ উন্নতি ।**

**উত্তৰঃ** ছাহজাহানৰ শিল্প কলা , সাহিত্য – সংস্কৃতিৰ প্ৰতি প্ৰচুৰ ৰাপ আছিল । তেওঁ সংগীত খুব ভাল পাইছিল আৰু সংগীতজ্ঞসকলক যথেষ্ট সন্মান দিছিল । ছাহজাহানূৰ ৰাজসভাত কেইবাজনাে সংগীতজ্ঞ আছিল।তাৰ ভিতৰত জগন্নাথ মহাপাত্ৰ , ৰামদাস আৰু লালখান আছিল প্ৰধান । ছাহজাহানৰ ৰাজত্বকালতে সাজি উলিওৱা ময়ূৰ সিংহাসন আৰু তাজমহলত স্থাপত্য , ভাস্কৰ্য অপূৰ্ব নিদৰ্শন দেখিবলৈ পাে্ৰা যায় । তাজমহল বিশ্বৰ সপ্তম আশ্চৰ্যৰ এটা বুলি পৰিগণিত । ছাহজাহানৰ আন এটা উল্লেখনীয় কীৰ্তি হ’ল আগ্ৰাত নিৰ্মাণ কৰা মতি মছজিদ ।

ওপৰৰ উদাহৰণবাে্ৰৰ পৰা বুজা যায় ছাহজাহানৰ ৰাজত্বকালত শিল্প সংস্কৃতিৰ যথেষ্ট উন্নতি হৈছিল ।

**( ঙ ) মাে্গল সাম্ৰাজ্যৰ পতনৰ পাঁচটা কাৰণ ।**

**উত্তৰঃ** মাে্গল সাম্ৰাজ্যৰ পতনৰ পাঁচটা কাৰণ হৈছে –

( ১ ) ঔৰংজেৱৰ ৰাজত্বকালত মাে্গল সাম্ৰাজ্যৰ বিস্তৃতি ইমান বিশাল হৈছিল যে ইয়াৰ সকলাে দিশত চিচকু ৰাখি সুচাৰুৰূপে পৰিচালনা কৰা সম্ৰাটৰ পক্ষে টান হৈ পৰিছিল ।

( ২ ) ঔৰংজেৱ বহুদিন ধৰি দাক্ষিণাত্য অভিযানত ব্যস্ত হৈ থাকিব লগা হাে্ৱাত শাসনকাৰ্যৰ পিনে ভালদৰে চকু দিব পৰা নাছিল । দীঘলীয়া যুদ্ধত ৰাজভৰালৰ ধনাে বহুখিনি খৰচ হৈছিল । তদুপৰি তেওঁ দাক্ষিণাত্য অভিযানত ব্যস্ত থকাৰ বাবে শিখ , জাঠ , ৰাজপুতসকলে নিজকে শক্তিশালী কৰাৰ সুবিধা পাইছিল ।

( ৩ ) ঔৰংজেৱে কাকো বিশ্বাসত নলৈছিল । তেওঁৰ এই সন্দেহী মনাে্ভাৱ মাে্গল সাম্ৰাজ্য পতনৰ এক কাৰণ হৈ পৰিছিল ।

( ৪ ) ঔৰংজেৱৰ পাছৰ মাে্গল ৰজাসকল দুৰ্বল আৰু অদক্ষ আছিল আৰু সেয়ে বিশাল মাে্গল সাম্ৰাজ্যখন ধৰি ৰাখিবলৈ তেওঁলাে্ক সক্ষম নহৈছিল ।

( ৫ ) ঔৰংজেৱে ধৰ্মৰ ক্ষেত্ৰত বৰ গাে্ড়া আছিল । তেওঁ আন ধৰ্মৰ মানুহৰ ওপৰত অত্যাচাৰ কৰিছিল । হিন্দুৰ ওপৰত ’ জিজিয়া কৰ ’ বহুৱাইছিল । ঔৰংজেৱৰ ধৰ্মীয় গাে্ড়ামীয়ে হিন্দুসকলক বেছিকৈ ক্ষুব্ধ কৰিছিল । ইয়াৰ পৰাই হিন্দু – মুছলমানৰ সম্প্ৰীতিৰ মাজত ভাঙোন আৰম্ভ হৈছিল ।